# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ উপস্থিতিত গুৱাহাটীত বড়োলেণ্ড আঞ্চলিক পৰিষদৰ উদ্যোগত প্ৰস্তুত কৰা ২৬টা জনগোষ্ঠীৰ বিকাশৰ ৰূপৰেখা সন্নিৱিষ্ট নথি পুস্তক উন্মোচন।

২। পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশৰ পাছত ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী তৎপৰতা।

৩। নৱবৰ্ষত মহানগৰী উন্নয়নৰ বাবে গুৱাহাটী পৌৰ নিগমৰ এলানি কাৰ্যসূচী গ্ৰহণ। বিভিন্ন ৱাৰ্ডত অনাময় ব্যৱস্থা, সভাগৃহ আৰু পথ নিৰ্মাণৰ সিদ্ধান্ত।

৪। জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ দক্ষিণ শালমাৰা মানকাচৰত খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন। কেইবাকোটি টকীয়া খহনীয়া প্ৰকল্প নিৰ্মাণৰ আশ্বাস। **আৰু**

৫। ভাৰতৰ বিৰুদ্ধে চলিত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্ট শৃংখলাত ঘৰুৱা দল অষ্ট্ৰেলিয়াৰ ২-১ৰ অগ্ৰগতি লাভ।

০০০০০

বড়োলেণ্ড আঞ্চলিক পৰিষদ চমুকৈ বি টি আৰ চৰকাৰে আজি অঞ্চলটোত বসবাস কৰা ২৬টা জনগোষ্ঠীৰ বিকাশৰ বাবে প্ৰস্তুত কৰা বিকাশৰ ৰূপৰেখা সন্নিৱিষ্ট নথি পুস্তক আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিছে। আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত এটা অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই ৰূপৰেখা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বি টি আৰৰ এনে উদ্যোগৰ শলাগ লয় আৰু অঞ্চলটোত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকে বি টি আৰত বিৰাজ কৰা শান্তিৰ পৰিৱেশৰ মাজত উন্নয়নৰ পথত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

**- বাইট (লক্ষ্মণ প্ৰসাদ আচাৰ্য) -**

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বি টি আৰ প্ৰশাসনে তেওঁলোকৰ সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে সম্পন্ন কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত শান্তি আৰু সৌহাৰ্দ্য বৃদ্ধি কৰি প্ৰগতিৰ পথত আগবাঢ়িব বুলি আস্থা প্ৰকাশ কৰে। আৰম্ভণিতে বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই ভৱিষ্যৎ ৰূপৰেখাৰ চমু অৱলোকন দাঙি ধৰে। বিভিন্ন গ্ৰন্থ আৰু নথিপত্ৰৰ বিস্তৃত অধ্যয়নৰ পাছত এই ৰূপৰেখা প্ৰস্তুত কৰা হৈছে বুলি বড়োৱে সদৰি কৰে। অনুষ্ঠানত ২৬টা জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিক জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা, ডাঃ ৰণোজ পেগু, ৰণজিৎ কুমাৰ দাস, অশোক সিংহল, ৰণগৌড়া নাৰ্জাৰী, সাংসদ জয়ন্ত বড়ো আৰু দিলীপ শইকীয়া, বিশিষ্ট সাংবাদিক পেট্ৰিছিয়া মুখিমে নিজ নিজ জনগোষ্ঠীৰ ৰূপৰেখা নথিপুস্তক

প্ৰদান কৰে। আজিৰ অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ আচাৰ্য আৰু কেইবাখনো বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অসম চৰকাৰৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধান গৰাকীও উপস্থিত আছিল।

০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ পাছতে ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। ৰাজ্যিক বিজেপিয়ে ইতিমধ্যে পঞ্চায়ত নিৰ্বাচন ব্যৱস্থাপনা সমিতি, ইস্তাহাৰ সমিতি ইত্যাদি গঠন কৰি বিভিন্ন আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ কৰিছে। মিত্ৰদল অগপৰ সৈতে সাংগঠনিক জিলা অনুসৰি দলটোৱে আলোচনা অব্যাহত ৰাখিছে। আম আদমী পাৰ্টীয়েও আজি এখন প্ৰেছ বিজ্ঞপ্তিযোগে নিৰ্বাচন হ'বলগীয়া ২৭ খন জিলাৰ ১৮১ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭ খন জিলা পৰিষদৰ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি জানিবলৈ দিছে। দলৰ সাধাৰণ সম্পাদক ৰাজীৱ শইকীয়াই কয়, যে আসন্ন পঞ্চায়ত নিৰ্বাচনত ১০০ শতাংশ আসনতে দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিব। এইক্ষেত্ৰত আন কোনো দলৰ সৈতে বুজাবুজিৰ সম্ভাৱনা নাই বুলি শ্ৰী শইকীয়াই মন্তব্য কৰে। অত্যাৱশ্যকীয় সামগ্ৰী আৰু ঔষধৰ মূল্যবৃদ্ধি, চিকিৎসা সেৱাৰ মাচুল বৃদ্ধি আৰু উন্নয়নমূলক আঁচনি ৰূপায়ণ ইত্যাদি বিষয়ক দলটোৱে নিৰ্বাচনী প্ৰসংগ হিচাপত ল'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

গুৱাহাটী পৌৰ নিগমে নতুন বছৰত মহানগৰীখনৰ উন্নয়নৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। পৌৰ নিগমৰ আয়ুক্ত মেঘনিধি দাহালৰ উপস্থিতিত আজি উজান বজাৰত থকা পৌৰ নিগমৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি মেয়ৰ মৃগেণ শৰণীয়াই কয়, যে নতুন বছৰত মহানগৰীৰ প্ৰতিটো ৱাৰ্ডত কমেও পাঁচটাকৈ সামূহিক শৌচাগাৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ জৰিয়তে মহানগৰীত ৬০ টা ৱাৰ্ডত ৩০০ টা সামূহিক শৌচাগাৰ নিৰ্মাণ হ'ব বুলি মেয়ৰ শ্ৰী শৰণীয়াই জানিবলৈ দিয়ে। ইয়াৰ লগতে নতুন বছৰত প্ৰতিটো ৱাৰ্ডত তিনি-চাৰিটাকৈ সমূহীয়া সভাঘৰ আৰু পাঁচটাকৈ পথ নিৰ্মাণৰ কামো হাতত লোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মহানগৰীত ১০ হাজাৰ ষ্ট্ৰীট লাইট স্থাপনৰ পৰিকল্পনা সদৰি কৰি মেয়ৰগৰাকীয়ে কয়, যে জানুৱাৰীৰ শেষত আৰু ফেব্ৰুৱাৰীৰ প্ৰথম ভাগত মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ তিনিখন প্ৰধান বজাৰ উলুবাৰী, গণেশগুৰি আৰু বেলতলা উদ্বোধন কৰিব। ইতিমধ্যে বজাৰ কেইখনৰ নিৰ্মাণৰ কাম ৮০ৰ পৰা ৯০ শতাংশ সম্পূৰ্ণ হোৱা বুলি শ্ৰী শৰণীয়াই জানিবলৈ দিছে। ব্যৱসায়ীসকলৰ সুবিধাৰ্থে মহানগৰীত ৮০ টাকৈ ভেণ্ডিং জ'ন প্ৰদান কৰাৰ বিষয়ে ঘোষণা কৰি তেওঁ জানুৱাৰীৰ ভিতৰতে ইয়াৰে ১০ টা কাৰ্যকৰীকৰণৰ সিদ্ধান্ত সদৰি কৰে।

০০০০০

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি দক্ষিণ শালমাৰা মানকাচৰ ভ্ৰমণ কৰি জিলাখনৰ আমবাৰী আৰু ঢলুৱামাৰী অঞ্চলত সৃষ্টি হোৱা খহনীয়াৰ বুজ লয়। উল্লেখযোগ্য যে এই অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগে প্ৰায় ৬ কোটি টকাৰ প্ৰকল্প সাজু কৰি তুলিছে। খহনীয়াগ্ৰস্ত অঞ্চলটো নাৱেৰে পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে এই প্ৰকল্পৰ কাম শীঘ্ৰে আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। পাছত মন্ত্ৰী হাজৰিকাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে পাৰ্কুপাইন আৰু বাঁহেৰে আমবাৰী আৰু ঢলুৱামাৰীত এহেজাৰ ৫০০ মিটাৰ দৈৰ্ঘ্য সামৰি খহনীয়া প্ৰতিৰোধী কাম কৰা হ'ব। জলসম্পদ মন্ত্ৰীগৰাকীয়ে পাছত ধুবুৰী জিলাৰ ফকিৰগঞ্জত উপস্থিত হৈ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াৰ কবলত পৰা অঞ্চল পৰিদৰ্শন কৰে। অঞ্চলটোত খহনীয়া

প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংকৰ পুঁজিৰে প্ৰায় ৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্য সামৰি পৰৱৰ্তী পৰ্যায়ত স্থায়ী কাম কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০

২০২৫ বৰ্ষৰ আৰম্ভণিৰে পৰা ব্যাপক কৰ্মসূচীৰে অসম গণ পৰিষদ দলে ৰাজ্যখনত প্ৰগতিশীল আঞ্চলিকতাবাদৰ ধাৰাটোক অধিক সবল ৰূপ প্ৰদান কৰিব। নতুন বছৰৰ প্ৰাকক্ষণত এই নতুন সংকল্প বাস্তৱায়িত কৰাৰ দিশত কাম-কাজ অব্যাহত ৰাখিব বুলি আজি অগপৰ মুখ্য কাৰ্যালয়ত সাংবাদিকসকলৰ সৈতে হোৱা এটা মত বিনিময় অনুষ্ঠানত দলটোৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই প্ৰকাশ কৰে। দলটোৱে গাঁৱে-গাঁৱে অগপ, চহৰে-নগৰে অগপ শীৰ্ষক এটা বছৰজোৰা পৰিকল্পনা গ্ৰহণ কৰিছে বুলিও জানিবলৈ দিয়ে। সভাপতি শ্ৰীবৰাই কয়, যে ৰাজ্যখনৰ জনসাধাৰণৰ কাষলৈ গৈ আঞ্চলিকতাবাদ তথা অগপক অধিক শক্তিশালী কৰি তোলাটোৱে এই অভিযানৰ মূল উদ্দেশ্য। শ্ৰীবৰাই লগতে সমাগত বছৰটোক দলে মাতৃভাষা বৰ্ষ হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা বুলিও জনায়। এই সময়ছোৱাত অসমৰ সকলো খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়, একতা আৰু সম্ভাৱ ৰক্ষা কৰাটো অগপৰ মূল লক্ষ্য হ'ব বুলিও তেওঁ কয়। আঞ্চলিকতাবাদৰ মূল হোতা হিচাপে অগপই ৰাইজৰ কাষত থাকি কাম কৰি যাবলৈ বদ্ধপৰিকৰ বুলিও শ্ৰীবৰাই উল্লেখ কৰে। ইংৰাজী নৱবৰ্ষই জাতি-জনগোষ্ঠী, ধৰ্ম-ভাষা নিৰ্বিশেষে অসমবাসীৰ মাজত ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এনাজৰী অধিক শক্তিশালী কৰি তুলিব বুলি দলটোৰ সভাপতি আৰু কাৰ্যকৰী সভাপতিয়ে আশা প্ৰকাশ কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনাও ভালেকেইটা মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰকাশন পৰিষদৰ উদ্যোগত আজি বিয়লি চলচ্চিত্ৰৰ প্ৰচাৰ আৰু ব্যৱসায় সন্দৰ্ভত এখন আলোচনাসত্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ, অভিনেতা তথা পৰিচালক কেনি বসুমতাৰী, শ্যাম বৰা, অচিন্ত শংকৰ, অভিনেতা কমললোচন, প্ৰিয়ংকা বৰুৱা আদি আলোচক হিচাপে উপস্থিত থাকে। অপৰাজিতা পূজাৰীয়ে পৰিচালনা কৰিবলগীয়া এই আলোচনাত বিশিষ্ট অতিথি হিচাপে মুম্বাইৰ চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক, লেখক মনোজ শ্ৰীবাস্তৱ উপস্থিত থাকে। ইয়াৰ উপৰি গ্ৰন্থমেলাৰ বাকৰিত আজি কেইবাখনো গ্ৰন্থও উন্মোচন কৰা হয়। গ্ৰন্থমেলাৰ আজিৰ কাৰ্যসূচী সম্পৰ্কত এয়া আমাৰ সংবাদদাতা হেমন্ত বৰাৰ সৈতে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা-

**- বাইট -**

০০০০০

মঙলদৈ সদৰ থানা আৰক্ষীয়ে এটা কুখ্যাত অপৰাধী চক্ৰৰ এজন সদস্যক আজি ৰঙিয়াৰ পৰা গ্ৰেপ্তাৰ কৰে। মঙলদৈ চহৰৰ পৰা দিন দুপৰতে ধন লুট, চুৰি, মহিলাৰ ডিঙিৰ পৰা সোণ কাঢ়ি নিয়াকে ধৰি একাধিক অপৰাধৰ সৈতে জড়িত প্ৰায় ২৫ বছৰীয়া ৰাজু আলীক ৰঙিয়া থানাৰ অন্তৰ্গত কছাৰী শ'লমাৰী গাঁৱৰ পৰা আৰক্ষীয়ে কৰায়ত্ত কৰে। প্ৰাৰম্ভিক জেৰাত আলীয়ে যোৱা ৩০ নৱেম্বৰত মঙলদৈ চহৰত এজন সহযোগীৰ সৈতে মটৰ চাইকেলত গৈ এগৰাকী স্থানীয় মহিলাৰ ডিঙিৰ পৰা সোণৰ চেইন কাঢ়ি নিয়াৰ কথা স্বীকাৰ কৰিছে। আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে ইতিমধ্যে এটা গোচৰ তৰি সহযোগীসকলৰ সন্ধানত তদন্ত আৰম্ভ

কৰিছে। আৰক্ষীয়ে জনোৱা মতে ধৃত ৰাজু আলী আৰু তেওঁৰ সহযোগীসকলে মঙলদৈৰ লগতে বজালী, পাঠশালা আদি ঠাইতো বিভিন্ন ধৰণৰ অপৰাধ সংঘটিত কৰি আহিছে।

০০০০০

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আজি দিনজোৱা কাৰ্যসূচীৰে শিৱসাগৰত ৩৫ সংখ্যক কেন্দ্ৰীয় ছহিদ দিৱস পালন কৰা হয়। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচীত প্ৰথমবাৰ্ষিক **ডামচাও ডিম্বেশ্বৰ গগৈ সোঁৱৰণী সমন্বয়** বঁটা প্ৰদান কৰা হয়। ছাত্ৰ সংগঠনটোৰ অন্যতম প্ৰতিষ্ঠাপক তথা প্ৰথমগৰাকী সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ গগৈৰ সোঁৱৰণত প্ৰদান কৰা এই বঁটা নাগালেণ্ড চৰকাৰৰ পৰ্যটন আৰু উচ্চ শিক্ষা বিভাগৰ কেবিনেট মন্ত্ৰী টেমজেন ইমনা আলঙক প্ৰদান কৰা হয়। ছহিদ দিৱসৰ সৈতে সংগতি ৰাখি মৈদাম তৰ্পণ, বান ফি পূজা, সমন্বয় শোভাযাত্ৰা, মুকলি সভা আদি অনুষ্ঠিত কৰা হয়।

০০০০০

ভাৰতৰ বিৰুদ্ধে চলিত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্ট শৃংখলাত ঘৰুৱা দল অষ্ট্ৰেলিয়াই ২-১ৰ অগ্ৰগতি লাভ কৰিছে। মেলবৰ্ণত অনুষ্ঠিত শৃংখলাৰ চতুৰ্থখন টেষ্টত আজি অষ্ট্ৰেলিয়াই ভাৰতক ১৮৪ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰে।

আজি পঞ্চম দিনা ভাৰতৰ দলটোৱে ৩৪০ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫৫ ৰানতেই ইনিংছ সামৰিবলগীয়া হয়। দলটোৰ হৈ য়শস্বী জয়ছোৱালে ৮৪ ৰান আৰু ঋষভ পণ্টে ৩০ ৰাণ কৰাৰ বাহিৰে আন কোনো খেলুৱৈয়ে দহকৰ ঘৰত ৰাণ কৰিব নোৱাৰিলে। ভাৰতৰ অধিনায়ক ৰোহিত শৰ্মাই ৯, বিৰাট কোহলিয়ে ৫ আৰু কে এল ৰাহুলে কোনো ৰাণ নকৰাকৈ আউট হয়। প্ৰথম ইনিংছত শতৰাণ সংগ্ৰহ কৰা নীতিশ কুমাৰ ৰেড্ডীয়েও কেৱল এক ৰাণতে ইনিংছ সামৰিবলগীয়া হয়। অষ্ট্ৰেলিয়াৰ হৈ পেট কামিন্স আৰু স্কট বলেণ্ডে তিনিটাকৈ উইকেট দখল কৰে।

অষ্ট্ৰেলিয়াৰ আজিৰ এই জয়লাভৰ ফলত ভাৰতৰ আই চি চি টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা প্ৰায় নিৰ্বাপিত হৈছে।

০০০০০

নতুন দিল্লীৰ আৰ কে পুৰমত অৱস্থিত দিল্লী পাব্লিক স্কুলত যোৱা ২৬ ডিচেম্বৰৰ পৰা চলি থকা নৱম ছিনিয়ৰ আৰু ২৫ বছৰ অনুৰ্ধৰ পঞ্চম ৰাষ্ট্ৰীয় ল’ন বল চেম্পিয়নশ্বিপত আজি অসমৰ নয়নমণি শইকীয়াই মহিলাৰ একক শাখাত স্বৰ্ণপদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। একেদৰে পুৰুষৰ ত্ৰিপলত পুতুল সোণোৱাল, বিতোপন ৰাভা আৰু জয়ন্ত শৰ্মাই স্বৰ্ণ পদক লাভ কৰে। পুৰুষৰ ডাবল্‌ছত অসমৰ বিমান নাথ আৰু বিশ্বজিৎ খাউণ্ডৰ যুটিটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে। আনহাতে, জিনা বৰুৱা, তৃষ্ণা গগৈ, পম্পী বৰুৱা আৰু কৰীণা পাটোৱাৰীৰে গঠিত মহিলাৰ দলটোৱে চাৰিজনীয়া দলীয় প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উদ্যোগত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উভতি চাওঁ-২০২৪ শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰী আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

০০০০০

চাওঁতে চাওঁতে ২০২৪ ইংৰাজী বছৰটো বিদায় ল'বলৈ ওলাইছে। যোৱা বছৰটোত চলচ্চিত্ৰ জগততনো কি বিশেষ ঘটনা ঘটিছিল, সেই বিষয়ে মোৰ সহযোগী মৃদুস্মিতা শৰ্মাই খন্তেক আগতে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে।

**-বাইট- মৃদুস্মিতা**

০০০০০

যোৰহাটৰ তৰাজান নিবাসী অইল ইণ্ডিয়া লিমিটেডৰ অৱসৰপ্ৰাপ্ত বিষয়া পৰেশ বৰকটকীৰ আজি পুৱা নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৮ বছৰ।

০০০০০

সমাপ্ত